# শিশু আৰু আইনা



সম্পাদ কেন্দ্ৰ অসম

# শিশু আৰু আইনা

সম্পদ কেন্দ্ৰ অসম

**Sishu Aru Aina** (Children And Mirror): A booklet on games with a mirror for children. Everyone enjoys playing with a mirror. For children it is a wonderful thing. Dr. Debadatta Barkataki prepared this booklet with the help of an English book "Children, Mirrors and Reflections" by Jos Elstgeest.

This book is published for state Resource Centre Assam by Dr. Ganeswar Saharia, General Secretary, Gyan Vigyan Samiti Assam, Mandovi Apartments, Unit C & D, G.N.B.Road, Ambari, Guwahati-781001, Assam.

December 2004 (2000) Rs 15.00

---

ISBN 81- 7550-303-3

গণচেতনা পুথি ঘ- ৩০৫

© State Resource Centre Assam

প্রস্তুতি : ড° দেৱদত্ত বৰকটকী,

প্রকাশক : সম্পদ কেন্দ্র অসম, মাণ্ডৱী এপাৰ্টমেন্টছ, ইউনিট চি আৰু ডি, জি এন বি পথ, আমবাৰী, গুৱাহাটী- ৭৮১০০১, অসমৰ হৈ ড° গণেশ্বৰ চহৰীয়া, প্রধান সচিব, জ্ঞান বিজ্ঞান সমিতি অসম, ।

প্রথম প্রকাশ : ডিচেম্বৰ ২০০৪ (২০০০)

মূল্য : পোন্ধৰ টকা

ডিটিপি : শ্রীজিতৰাম ডেকা

ছবি : শ্রীসংগ্রামজ্যোতি চৌধুৰী

ছপাশাল : শৰাইঘাট লেজাৰ প্রিণ্ট
শিলপুখুৰী, গুৱাহাটী - ৩

# আমাৰ দুআষাৰ

সম্পদ কেন্দ্ৰ অসমে অসমত সাক্ষৰতাৰ কামত শৈক্ষিক সমৰ্থন আগবঢ়াই আহিছে। অসমৰ সামগ্ৰিক উন্নয়নৰ বাবে বৰ্তমানে এই কেন্দ্ৰই বিভিন্ন ক্ষেত্ৰত ৰাইজক সজাগ কৰি তোলাৰ প্ৰয়াস কৰিছে। পঠনশীল সমাজ এখন সৃষ্টি কৰাটো সম্পদ কেন্দ্ৰ অসমৰ মূল লক্ষ্য। পঠনশীল সমাজ এখন সৃষ্টি কৰিবলৈ হ'লে কম মূল্যৰ নানা বিষয়ৰ পুথিৰ প্ৰয়োজন।

সম্পদ কেন্দ্ৰ অসমে এই উদ্দেশ্যে কিছু পুথি প্ৰকাশৰ ব্যৱস্থা কৰিছে। শিশুসকলক আনন্দদায়ক পদ্ধতিৰদ্বাৰা শিক্ষা দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়েও সম্পদ কেন্দ্ৰ অসমে চিন্তা কৰিছে। আইনাখন আমাৰ সকলোৰে বাবে অতি আগ্ৰহৰ সামগ্ৰী। শিশুৰ বাবে আইনা এবিধ আচৰিত সামগ্ৰী। তাতে যদি আইনাৰে খেল খেলিব পৰা যায় কিমান আনন্দ লাগিব। "শিশু আৰু আইনা", নামৰ পুথিখনত আইনাৰে খেলিব পৰা খেল কিছুমান দেখুওৱা হৈছে। পুথিৰ প্ৰয়োজনাৰ্থে ঠায়ে ঠায়ে ৰোমান লিপিৰ ব্যৱহাৰ কৰা হৈছে।

জোস এলেষ্টগীষ্টে লিখা 'চিলড্ৰেন, মিৰ'ৰ এণ্ড ৰিফ্লেকচন' নামৰ পুথিখনৰ সহায়ত এই পুথিখন ড° দেৱদত্ত বৰকটকীয়ে প্ৰস্তুত কৰিছে।

শিশু আৰু নৱসাক্ষৰ ৰাইজে পুথিখন পঢ়ি উপকৃত হ'ব বুলি আশা কৰিলোঁ।

ডিচেম্বৰ, ২০০৪ সম্পদ কেন্দ্ৰ অসম

# সূচী পত্ৰ


| বিষয় | পৃষ্ঠা নং |
|---|---|
| ➾ আমাৰ দুআষাৰ | |
| ➾ আইনাৰ যাদু | ৫ |
| ➾ শিশু আৰু আইনা | ৭ |
| ➾ চিক্‌মিকনি | ৮ |
| ➾ আইনাৰ গুণ | ৯ |
| ➾ আইনাৰ সহায়ত শিশুৱে বহুতো কাম কৰিব পাৰে | ১০ |
| ➾ প্ৰতিবিম্ব | ১১ |
| ➾ নিজৰ নামটো আইনাত দেখাৰ দৰে লিখা | ১২ |
| ➾ আইনাৰ চৰিত্ৰ, প্যালিনড্ৰ’ম | ১৩ |
| ➾ আইনাৰ খেল | ১৪ |
| ➾ কেইটা এন্দুৰ সাজিবা | ১৫ |
| ➾ বেলেগ বেলেগ আকৃতি সাজা | ১৬ |
| ➾ চাহৰ দোকানলৈ কেনেকৈ সোমাবা | ১৭ |
| ➾ আইনাৰ সহায়ত বহুতো ছবি আঁকিব পাৰি | ১৮ |
| ➾ আকাৰৰ খেল | ১৯ |
| ➾ নমুনা কাৰ্ড | ২০ |
| ➾ আইনাৰ দেৱালৰ সমস্যা | ২১ |
| ➾ পিছফালৰ বস্তু দেখা আইনাৰ সমস্যা | ২২ |
| ➾ একা বেঁকা আইনা | ২৩ |

# আইনাৰ যাদু

আইনা অৰ্থাৎ আৰ্চিত বহুতো যাদু আছে। ইয়াৰ সহায়ত আমি খেলিব পাৰোঁ। বহুতো কাম কৰিব পাৰোঁ। বয়স্ক ব্যক্তিৰ বাবে যাদু আৰু বিজ্ঞান এটা আনটোৰ শত্ৰু। কিন্তু শিশুৰ বাবে এনে নহয়। আইনাৰ আকৰ্ষণৰ বাবেই ই বিজ্ঞান শিক্ষাত এক বিশেষ স্থান লাভ কৰিছে। সাধাৰণ আইনা এখনে সেয়ে শিশুক আকৰ্ষণ কৰে। আইনাৰ সমুখত এটা বস্তু ৰাখিলে তাক দুটা দেখা যায়। আইনাত আমি এখন ছবি দেখিবলৈ পাওঁ। শব্দবোৰ আইনাত ওলোটাকৈ দেখিবলৈ পোৱা যায়। সোঁহাতখন বাওঁহাত যেন লাগে। বাওঁফালটো সোঁফালৰ নিচিনা দেখি। আইনাৰ সহায়ত সূৰ্য্যৰ ৰশ্মি প্ৰতিফলিত কৰিব পাৰি।

আইনাখন সকলো ঠাইতে সহজে পোৱা যায়। ঘৰৰ পৰাও শিশুজনে আনিব পাৰে। যিকোনো চিক্‌মিকোৱা বস্তুৰে আইনাৰ কাম কৰিব পাৰে। যেনে ষ্টিলৰ বাচন বৰ্তন, থাল, বাতি, চামুচ এইবোৰক আইনা কৰিব পাৰি। অৱশ্যে প্ৰতিবিম্ব বেলেগ বেলেগ হয়। ইয়াত উল্লেখ থকা কামকাজবোৰ কৰিবলৈ বেছি পাতনিৰ প্ৰয়োজন নাই। কেৱল শিশুসকলক একোখন আইনা দিয়ক। চাবলৈ শিকাওক। নিজৰ অনুভৱৰ সহায়ত আইনাৰ বিভিন্ন দিশ সম্পৰ্কত শিশুৱে নিজে নিজেই বুজি উঠিব।

আইনাখন হাতত লৈয়েই যিকোনো কাম কৰিবলৈ আৰম্ভ কৰিব। সকলোকে কাম কৰিবলৈ সুবিধা দিয়ক। ইয়াৰ বাবে কিছু প্ৰশ্ন শিশুটোৱে কৰিব। কেৱল মুক্তভাৱে খেল খেলা আৰু নিজে নিজেই বৈজ্ঞানিক অনুসন্ধান কৰাৰ মাজত কিছু পাৰ্থক্য আছে। শিক্ষকে পৰিবেশ সৃষ্টি কৰিব লাগিব। ইয়াৰ ফলতহে শিশুটোৱে প্ৰকৃতভাৱে শিকিব পাৰিব।

শিশুটোৱে বিচৰা ধৰণে কাম কৰিবলৈ চেষ্টা কৰোৱাটো শিক্ষক গৰাকীৰ দায়িত্ব । কোনোবা সময়ত শিশুটিয়ে আগবাঢ়ি আহি বিভিন্ন বিষয়ত শিক্ষকৰ সৈতে আলোচনাত মিলিত হ'ব। তেতিয়াহে শিশুটোৱে শিকিবলৈ আৰম্ভ কৰিব। শিক্ষকে উত্তৰ দি অথবা কাম কৰিবলৈ দি বুজাব পাৰে। একাদিক্ৰমে কাম কৰিবলৈ সহায় কৰি দিয়াতেই শিক্ষকৰ ভূমিকা থাকিব।

এই লিখনিত শিশুৰ বাবে কিছু কাম চিন্তা কৰি দিয়া হৈছে। ইয়াৰ সহায়ত শিশুৱে আইনাৰ ধৰ্ম বুজি উঠিব। পাঠত কিছু কাম দিয়া আছে। সেইবোৰ কৰাব লাগিব। বিভিন্ন সময়ত কৰিবলগীয়া কামবোৰ এক ক্ৰমত আছে। শিক্ষকে সেই বিষয়ত গুৰুত্ব দিব লাগিব। কিন্তু এই ক্ৰমতহে যে শিশুটোৱে বুজিব সেইটো নহয়। ক্ৰম বদলিও হ'ব পাৰে। পৰিৱেশ পৰিস্থিতি অনুযায়ীহে ক্ৰম হ'ব। ফলত কিতাপত নথকা নতুন প্ৰশ্নও শিশুটোৰ মনত উদয় হ'ব পাৰে। শিক্ষকে তেনে প্ৰশ্নৰ উত্তৰ বিচৰাত শিশুটোক সহায় কৰিব লাগিব। মুঠতে শিশুটোৰ আগ্ৰহৰ দিশেৰেহে আগবাঢ়িব লাগিব। নহ'লে শিশুটোৱে জ্ঞান আহৰণত আনন্দ নাপাব।

ইয়াত শিশুৱে আইনাৰ সৈতে খেলিবলৈ অথবা ব্যৱহাৰ কৰিবলৈ কিছু কামৰ কথা আছে। ইয়াত কোনো নিৰ্দিষ্ট পাঠ নাই। আইনা সম্পৰ্কে সকলো প্ৰয়োজনীয় কথাও ইয়াত নাই। কিতাপখনত আইনাৰ সহায়ত চিন্তা কৰিবলৈ কিছু পৰামৰ্শ আছে।

শিশুৱে এবাৰ চিন্তা কৰিবলৈ আৰম্ভ কৰিলে বহুতো প্ৰশ্ন কৰিবলৈ নিজেই আগবাঢ়ি আহিব। ইয়াৰ বাবে আপুনি সাজু হওক। কিন্তু চিন্তিত নহ'ব।

(১) শিশুৱে নিজেই প্ৰশ্নৰ উত্তৰ উলিয়াব পাৰিব পাৰে।

(২) আপুনি উত্তৰটো জানে যদি সমস্যাটো সমাধা হ'ব।

(৩) শিশুৰ প্ৰশ্নৰ উত্তৰ বিচাৰি আপুনি আন কিতাপো আনিব লগা হ'ব পাৰে।

(৪) উত্তৰ আপুনি নাপাবও পাৰে। তেতিয়া প্ৰশ্নটো থৈ দিব। পাছলৈ উত্তৰ দিবলৈ নাপাহৰিব।

মানুহে আজিও জ্ঞান আহৰণ কৰি আছে। আজিয়েই আমি সকলো জানিব পৰা নাই। ইয়াত যথাসম্ভৱ টেক্‌নিকেল শব্দ বাদ দিবলৈ যত্ন কৰা হৈছে। কিয়নো এইবোৰ বিদ্যালয়ৰ আন পাঠ্যপুথিত আছেই। সেয়ে টেক্‌নিকেল শব্দ প্ৰয়োজন হ'লেহে ব্যৱহাৰ কৰিব। সম্ভৱ হ'লে ব্যৱহাৰ নকৰাই ভাল। শিশুৰ ৰুচি আৰু তেওঁলোকৰ প্ৰশ্নবোৰতহে গুৰুত্ব দিব।

# শিশু আৰু আইনা



সকলো ঠাইতে সকলো সময়তে চিক্‌মিকাই থকা বস্তু কি কি?

আৰম্ভণিৰ বাবে এইটো এটা ভাল প্ৰশ্ন। চিক্‌মিকোৱা বহুত সামগ্ৰী আছে। কিছুমানে কমকৈ আৰু কিছুমানে বেছিকৈ চিক্‌মিকায়। ইয়াৰ সহায়ত চিক্‌মিকোৱাৰ কথা বুজিব পাৰি।

তুমি যি ঠাইত বহি আছা তাতেই চিক্‌মিকোৱা পাঁচবিধ বস্তুৰ নাম কোৱা।



এই চিক্‌মিকনিয়ে কি কৈছে?





তুমি আইনাৰ সৈতে সম্পৰ্ক থকা শব্দৰ সূচী প্ৰস্তুত কৰিব পাৰিবানে?

- আইনা
- চিক্‌মিকনি
- ছিটিকি যোৱা
- খুন্দা খোৱা
- আৰ্চি
- কাচ
- প্ৰতিবিম্ব

মই দাৰি কাটিছিলোঁ দেখোন।





এই শব্দবোৰ বুজোৱা সামগ্ৰী বিচাৰোঁ।
চিক্‌মিকনি থকা সামগ্ৰীৰ নাম কোৱা।
যেনে — পালিছ, সমতল আইনা, বাৰণিছ। ইয়াৰ বাবে শিশুৱে এনে গুণধৰ্ম থকা সামগ্ৰীৰ কথা চিন্তা কৰিবলৈ বাধ্য হ'ব। ফলত সন্মুখত দেখা পোৱা সকলো সামগ্ৰীৰ খুঁতিনাটি ল'বলৈ আগ্ৰহী হ'ব।

# চিক্‌মিকনি

যিকোনো
বস্তুৱেই আইনাৰ দৰে
আচৰণ কেনেকৈ
কৰে?



কাচেৰে তৈয়াৰ
কৰা আইনাৰ
তুলনা নাই। যি-
কোনো কোণৰ-
পৰা দেখা
পোৱা যায়।





চামুচ, চাহৰ কেটলি,
পানীৰ পাত্ৰ আদি
মোৰ ছহমাৰ দৰেই
একোবিধ দৰ্পন

চিগাৰেটৰ পেকেটৰ
ভিতৰত থকা
এলুমিনিয়ামৰ বাকলিৰো
চিক্‌মিকনি থাকে।
অৱশ্যে আইনা আৰু ইয়াৰ
মাজত পাৰ্থক্য আছে।



গোল গোল বস্তুতো
চিকমিক্‌নি আছে।



***শিক্ষকৰ প্ৰতি***

শিক্ষকে সকলো শিশুৰ সৈতে ভাব বিনিময় কৰিব। আলোচনা কৰিব। প্ৰশ্ন কৰিব। ইয়াৰ উত্তৰ বুজাই দিব। লগতে কিছু পৰীক্ষাও কৰি দেখুৱাব পাৰে। কোনে কি কৰিব সেইবোৰ আগেয়ে নিৰ্ধাৰণ কৰিব। সকলো কথা লিখি ৰাখিব। ইয়াৰ দ্বাৰা লাভ হ'ব।

পানীৰ লহৰতো এক
বিশেষ শ্ৰেণীৰ
আইনা পোৱা যায়।
ইয়াতটো থকা
প্ৰতিবিম্ব দেখা যায়।



মোৰ চকু জুৰিও দেখোন



মোৰ জোতা
জোৰো চিক্‌মিকায়।
অৱশ্যে মই ভালকৈ
চাফা কৰিব লাগিব।



মাছৰ পিঠিখনো
চিক্‌মিকায়।
কুকুৰৰ নোমতো
চিক্‌মিকনি আছে।



# আইনাৰ গুণ?









*শিক্ষকৰ প্ৰতি*

আইনাক সুধিবলৈ ইয়ো এক উপায়। ব্যৱহাৰ কৰিবলৈ আমাক উপযুক্ত পৰিমাণৰ আইনাৰ প্ৰয়োজন।

আইনাক কি সুধিব?



(১) নিজেই কিছু আইনা আনিব।

(২) শিশুটোকো নিজৰ ঘৰৰ লগতে ওচৰ চুবুৰীয়াৰপৰা আইনা আনিবলৈ ক'ব। সৰু আইনা। ডাঙৰ আইনা। ডাঙৰকৈ দেখা আইনা। সৰুকৈ দেখা আইনা। স্কুটাৰ, মটৰ চাইকেলত লগোৱা আইনা। চামুচ, থাল, বাচন, কাঁহী, আদিকে ধৰি চিক্‌মিকোৱা যিকোনো সামগ্ৰী।

(৩) শিশুক একোটা দলত কিছু কাম কৰিবলৈ দিব। ইয়াৰ ফলত শিশুৱে দলগতভাৱে কাম কৰিবলৈ শিকিব। সামূহিকভাৱে আলোচনা কৰিব পাৰিব। আনৰ অনুভৱ বুজিব পাৰিব। আদান প্ৰদানৰ গুৰুত্ব বুজিব। লগতে একেলগে প্ৰশ্ন কৰিবলৈ, ব্যৱহাৰ কৰিবলৈ সামূহিকভাৱে চেষ্টা কৰিবলৈ শিকিব।

ইয়াৰ বাবে আন কিছু পৰামৰ্শ পাছত দিয়া আছে। এইটো মনত ৰাখিব— ই কেৱল আৰম্ভণিহে। আপুনি প্ৰয়োজন অনুসৰি কম বেছি কৰিব পাৰিব। শিশুৰ সৈতে আলোচনা কৰিহে আপুনি সিদ্ধান্ত গ্ৰহণ কৰিব।

# আইনাৰ সহায়ত শিশুৱে বহুতো কাম কৰিব পাৰে

*শিক্ষকৰ প্ৰতি* গতিকে আইনা শিশুক দিয়ক.......... আপুনি লক্ষ্য কৰিব।




আইনাত নিজৰ চেহেৰা দেখা পাওঁ (আনৰো পাওঁ)। আপুনি নিজৰ মুখৰ ভিতৰ ভাগো দেখা পাব। মূৰৰ ওপৰত অথবা চকুৱে চাব পৰাকৈ ওপৰত ৰাখি আইনালৈ চালে :

(১) আমি সকলো বস্তু ওলোটাকৈ দেখা পাম।

(২) এই ওলোটাকৈ থকা পৃথিৱীত আপুনি

— খোজ কাঢ়িব পাৰিব,জঁপিয়াব পাৰিব।

— দুডাল ৰচিৰে নিৰ্মাণ কৰা ৰাস্তাৰ ওপৰেদি খোজ কাঢ়িব পাৰিব।

— মজিয়াত বস্তু থৈ টেবুলৰ ওপৰত দেখা পাব পাৰিব।

— হাত মিলাব পাৰিব।

দুখন আইনাৰ সহায়ত আপুনি দেখা নোপোৱা কোণত থকা সামগ্ৰীও দেখা পাব।



(৩) মজিয়াত চক পেঞ্চিলেৰে একা বেঁকা ৰাস্তা আঁকি খোজ কাঢ়িব পাৰিব।



মনত ৰাখিব : ভৰিৰে ৰাস্তাটো নোমোহাৰিব

: ৰাস্তাটো দুই ভৰিৰ মাজত ৰাখিব।

: কেৱল আইনাতহে চাব।

: এই ওলোটাকৈ থকা পৃথিৱীত আপুনি কিমান সময় এখন ভৰিৰ ওপৰত থিয় দি থাকিব পাৰিব?



# প্ৰতিবিম্ব



আই নাখন নিজৰ থুঁতৰিৰ তলত ৰাখা। এতিয়া আইনাখনত চাই চাই কোঠাৰ দুৱাৰেৰে ওলাবলৈ চেষ্টা কৰা।





দুখন আইনাৰ সহায়ত তুমি ..........

দুখন আইনা এটা কোণত থৈ তুমি কি কৰিব পাৰা?





আইনা দুখনৰ সহায়ত ৯০ ডিগ্ৰী কোণ সজা হৈছে। এতিয়া নিজে নিজক চোৱা।



## কৰি চোৱা

দুখন আইনা মুখামুখিকৈ ৰাখি কোণ এটা সাজা, ইয়াৰ মাজত এটা বস্তু ৰাখা।

কেইটা প্ৰতিবিম্ব পালা গণি চোৱা। ইয়াৰ কোণটো নিৰ্ণয় কৰা।

**এখন তালিকা কৰা:**

| | |
|---|---|
| *কোণ .......* | *প্ৰতিবিম্বৰ সংখ্যা* |
| ১৮০° ...... | প্ৰতিবিম্বৰ সংখ্যা |
| ৯০° ....... | প্ৰতিবিম্বৰ সংখ্যা |
| ৬০° ....... | প্ৰতিবিম্বৰ সংখ্যা |
| ৪৫° ....... | প্ৰতিবিম্বৰ সংখ্যা |
| ৩০° ....... | প্ৰতিবিম্বৰ সংখ্যা |

# নিজৰ নামটো আইনাত দেখাৰ দৰে লিখা

(আইনাখনত চাই চাই নিজৰ নাম পঢ়িব পাৰি)



**যেনে :**
মই পঢ়াৰ নতুন
কৌশল বুজি পালোঁ।
কাগজখন ওলোটাই
লৈ এটা বাল্বৰ
পোহৰত ধৰিলে
সহজে পঢ়িব পাৰি।



সকলোৰে পঢ়াৰ নতুন কৌশল কোৱা, প্ৰথমে কোনো কৌশল ব্যৱহাৰ নকৰাকৈ পঢ়িবলৈ যত্ন কৰা। আইনাত ওলোটাকৈ থকা কোনটো বৰ্ণ সহজে পঢ়িব পাৰি ? বুজি পোৱাবোৰ লিখা।

— কাগজত
— মাটিত
— ব্লেক বোৰ্ডত

অসমীয়া বৰ্ণমালাৰ কোনকেইটা বৰ্ণ আইনাত চালেও একে থাকে? ইংৰাজী বৰ্ণমালাত এনে বৰ্ণ আছেনে ? অসমীয়া আৰু ইংৰাজীত লিখা কোনবোৰ শব্দ আইনাতো একে যেন লাগে।

আইনাত বদলি নোহোৱা কিবা বাক্য আছেনে?

# আইনাৰ চৰিত্ৰ ,প্যালিনড্ৰ'ম

আইনাত সকলো বস্তুকে ওলোটাকৈ দেখি





ও
প
ৰ
ৰ
টো
ত
ল

সেই বাবেই
আইনাৰ
লিপিবোৰ
আচৰিত
যেন লাগে।







বাওঁফালৰটো সোঁফাল

B C D E H I K O X

A M
T W
I O
V X
H Y
U

আইনাখন ৰেখাডালত থৈ প্ৰতিবিম্ব চোৱা

**এই ৰেখাডালত আইনাখন থৈ ওপৰৰ আখৰবোৰ চোৱা**

— আইনাত একে দেখা কোনো শব্দ উলিয়াব পাৰিবানে?

— ওপৰত দিয়া আখৰবোৰ বাঁওফালৰ পৰা সোঁফাললৈ ব্যৱহাৰ কৰি কোনো সাধাৰণ শব্দ প্ৰস্তুত কৰিব পাৰিবানে? বাঁওফালে থকা আখৰবোৰ ওপৰৰপৰা তললৈ ব্যৱহাৰ কৰি শব্দ প্ৰস্তুত কৰিব পাৰিবানে? MALAYALAM এই শব্দটো ভালকৈ চোৱা।



ইয়াত পিছৰপৰা আগলৈ বা আগৰপৰা পিছলৈ একে ধৰণৰ বৰ্ণ আছে। ইংৰাজী ভাষাত এনে শব্দক প্যালিনড্ৰ'ম বোলে। এনে আন শব্দ বিচাৰিব পাৰিবানে?



# আইনাৰ খেল

আইনা

আইনা

M
A
M
A
I
A
M
H
O
T

তলত দিয়া তালিকাৰ বৰ্ণবোৰ এখন পুৰণি ডাঠ কাগজত লিখা। প্ৰতিটো বৰ্ণ কাটি লোৱা। আইনাত বদলি নোহোৱা শব্দ এই বৰ্ণৰ সহায়ত গঠন কৰা।

ইয়াৰ সহায়ত কিবা খেল খেলিব পাৰিনে? খেলৰ নিয়ম নিজে প্ৰস্তুত কৰা।

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| B | B | B | B | C | C | C | C |
| D | D | D | D | E | E | E | E |
| H | H | H | H | I | I | I | I |
| K | K | K | K | O | O | O | O |
| A | A | A | A | M | M | M | M |
| T | T | T | T | U | U | U | U |
| V | V | V | V | W | W | W | W |
| X | X | X | Y | Y | Y | , | , |

# কেইটা এন্দুৰ সাজিবা ?



: এখন আইনাৰে
: দুখন আইনাৰে
: তিনিখন আইনাৰে
: ইয়াতকৈ বেছি সংখ্যক আইনাৰে



— এটাৰপৰা দুটা, অথবা দুটাৰপৰা বহুতো এন্দুৰ সাজিবলৈ তুমি কি সলাবা?

— চিত্ৰ আঁকা আৰু বৰ্ণনা কৰা

১। আইনাৰ অৱস্থান ।

২। এন্দুৰটো কেনেকৈ বহি আছে?



— এন্দুৰ আৰু আইনাৰ বিষয়ে অধিক জানিবলৈ তুমি আৰু কি কি কাম কৰিবা ?



— কি হ'ব, যেতিয়া তুমি

: আইনাখনত এন্দুৰ চাবা ?
: আইনাত নিজৰ মুখ চাবা?
: আন বস্তু চাবা ?
: এডাল পেঞ্চিল চাবা?

**এন্দুৰ**

এই শব্দটো আৰু আইনাৰ সহায়ত বহুতো আনন্দদায়ক খেল খেলিব পাৰি। চেষ্টা কৰা আৰু ফলাফল সম্পৰ্কে চিত্ৰ আঁকা।

# বেলেগ বেলেগ আকৃতি সাজা

এখন আইনাৰ সহায়ত তলৰ দুটা বৰ্ণৰপৰা বেলেগ বেলেগ আকৃতি সাজা
ইয়াৰ চিত্ৰ আঁকা




তলত দেখুৱা আঁচৰ স্থানত আইনা এখন দি বাওঁফালৰ বস্তুবোৰৰ চিত্ৰ আঁকা (চিত্ৰ অঁকাৰ পাছত আঁচৰ ঠাইত পুনৰ আইনা এখন দি চিত্ৰবোৰ কিমান শুদ্ধ হৈছে পৰীক্ষা কৰা)









# চাহৰ দোকানলৈ কেনেকৈ সোমাবা

এখন ডাঙৰ আইনা চকুৰ কিছু ওপৰত ধৰা। অথবা কাগজ খনত থকা ছবিটো ভালকৈ দেখা পোৱাকৈ মূৰৰ ওপৰত আইনাখন লৰচৰ নকৰাকৈ ৰাখা।





চাহৰ দোকানৰ ভিতৰলৈ সোমাইছানে বাহিৰলৈ ওলাইছা?

# আইনাৰ সহায়ত বহুতো ছবি আঁকিব পাৰি

এখন ছবি আৰু এখন আইনাৰ সহায়ত তুমি বহুতো ছবি আঁকিব পাৰিবা।



১। পাতল কাগজ এখনত বিভিন্ন ধৰণৰ মুখ,ঘৰ, গছ, আদিৰ চিত্ৰ লগোৱা। বেলেগ বেলেগ দিশত আইনাখন থৈ কেনে দেখা চোৱা।



বাজী ধৰিবৰ বাবে

আনন্দৰ বাবে



**সমস্যা**



এখন আইনাৰ সহায়ত ঘড়ীটোত তলৰ সময়বোৰ দেখুৱা :

— পুৱা শুই উঠা সময়
— স্কুল আৰম্ভ হোৱা সময়
— নিশাৰ আহাৰৰ সময়
— নিশা শোৱাৰ সময়
— খেলৰ সময়
— যি কোনো সময়

# আকাৰৰ খেল

যিকোনো আকাৰ দেখুৱা এখন কাৰ্ড লোৱা



আন কিছু সমস্যাৰ কাৰ্ড প্ৰস্তুত কৰা



এখন আইনা আৰু ইয়াৰ কোনকেইখন কাৰ্ডৰ সহায়ত ওপৰৰ আকাৰ দেখুৱাব পাৰিবা।

# নমুনা কার্ড

তলত নমুনাৰ এখন কার্ড দিয়া আছে। এই নমুনা কার্ড আৰু এখন আইনাৰ সহায়ত তলৰ ছবিবোৰ সাজিব পাৰিবানে?




ইয়াত কেইটামান উদাহৰণ দিয়া হৈছে। এনেদৰে আন চিত্রও আঁকিব পাৰি।



এনে নমুনা কার্ড আৰু ছবিৰ কেইবাধৰণৰ ছেট প্রস্তুত কৰা।



এই কামত তোমাৰ মা দেউতাইও আনন্দ পাব পাৰে।



# আইনাৰ দেৱালৰ সমস্যা

তুমি এটা কোঠাত থকা বুলি কল্পনা কৰা। এই কোঠাৰ এখন দেৱাল সম্পূৰ্ণভাৱে আইনাৰে তৈয়াৰী। কোঠাটোত মাত্ৰ এটা ফুলদানি আছে।




ধৰা হ'ল, তুমি আইনাখনত ফুলদানিলৈ চাই আছা। এডাল পেন্সিলেৰে তুমি ফুলদানিটো কোন দিশত দেখা পাইছা দেখুওৱা ।



তুমি দেখুৱা দিশৰ ছবি অঁকাৰ পাছত তাৰ অৱস্থান প্ৰমাণ কৰা। কিন্তু বেছি সমস্যালৈ নাযাবা।

*শিক্ষকৰ প্ৰতি*

নিজৰ কাম কৰাৰ পাছত শিশুক অনুভৱৰ সম্পৰ্কে ক'বলৈ কওক। শিশুক কথা ক'বলৈ উৎসাহিত কৰক। নিজৰ চিন্তা, ধাৰণাৰ বিষয়ে শিশুৱে আনন্দেৰে ক'ব—

চামুচত মোৰ চেহেৰা ওলোটাকৈ দেখোঁ





আইনাৰ সহায়ত সূৰ্য্যৰ কিৰণ যিকোনো ঠাইত পেলাব পাৰি।



কিন্তু কিমান দূৰৰ পৰা?



তোমাৰ পিঠিখন এতিয়াও চিধা হৈয়েই আছে

যিমান দূৰৈৰ পৰা আৰু যেনেকুৱা আইনাৰেই নাচাওক কিয়, সূৰ্য্যক সদায়েই ঘূৰণীয়া দেখি





মই সূৰ্য্যৰ ৰশ্মি তোমাৰ আইনাৰ সহায়ত মোৰ গাত পেলাব পাৰোঁ।



মাখি এটাক আইনাত খোজ কাঢ়িব দিলে মাখিটোৰ পেটটো দেখা পোৱা যায়

আইনাৰ সহায়ত মই ওখ মানুহৰ পিঠিখন দেখা পাওঁ।



**STATE RESOURCE CENTRE ASSAM**

Mandovi Apartments, Unit- C & D 1st Floor
G. N. B. Road, Ambari, Guwahati-781 001
Phone : 0361- 2517230, Fax : 0361-2511794

ISBN-81-7550-303-3